Divisional Forest Officer
Bodoland Territorial Council
Dhansiri Forest Division, Udalguri

ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

afd
AGENCE FRANÇAISE DE DÉVELOPPEMENT

# বৰঙাজুলি পৰিৱেশ উন্নয়ন সমিতি

## বৰনদী বন সংমণ্ডল

# ক্ষুদ্ৰ প্ৰকল্প আঁচনি

(২০১৭-১৮ৰ পৰা ২০২৬-২৭)

প্ৰস্তুতকৰ্তা ঃ বৰঙাজুলি পৰিৱেশ উন্নয়ন সমিতিৰ

সহযোগত

বনাঞ্চল বিভাগ, অসম

আৰু

ক'ম্‌পেল'

(ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট)

(আই আই ই আৰু আৰ জি ভি এন )

মে'-২০১৭

Divisional Forest Officer
Dhansiri Forest Division
Udalguri, BTC

## সাংকেতিক শব্দ বিন্যাস তালিকা ঃ—

| সাংকেতিক শব্দ | মূল ভাঙনি |
|---|---|
| APFBC<br>(এ পি এফ বি চি) | Assam Project on Forest and Bio-diversity Conservation<br>(বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সম্পৰ্কীয় প্ৰকল্প, অসম) |
| AFD<br>(এ এফ ডি) | Agency France de Development<br>(উন্নয়ন বিষয়ক ফৰাচী সংস্থা) |
| BPL<br>(বি পি এল) | Bellow Poverty Line<br>(দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ) |
| BTC<br>(বি টি চি) | Bodoland Territorial Council<br>(বড়োলেণ্ড ক্ষেত্ৰীয় এলেকা পৰিষদ) |
| COMPELO<br>(ক'মপেল') | Consortium for Micro Planning and Enhancing Livelihood Opportunities<br>(ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট) |
| EPA<br>(ই পি এ) | Entry Point Activities<br>(প্ৰাৰম্ভিক কাৰ্যব্যৱস্থাপনা) |
| GIS<br>(জি আই এছ) | Geographical Information System<br>(ভৌগোলিক তথ্য ব্যৱস্থাপনা) |
| Ha<br>(হে) | Hectare<br>(হেক্টৰ (মাটিকালি)) |
| IIE<br>আই আই ই | Indian Institute of Entrepreneurship<br>(ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান) |
| EDC<br>(ই ডি চি) | Eco-Development Committee<br>(পৰিৱেশ উন্নয়ন কমিটী) |
| Kg<br>(কে জি) | Kilogram<br>(কিলোগ্ৰাম) |
| Km<br>(কে এম) | Kilometer<br>(কিলোমিটাৰ) |
| NGO<br>(এন জি অ') | Non-Governmental Organization<br>(অনা-চৰকাৰী সংস্থা) |
| NTFP<br>(এন টি এফ পি) | Non Timber Forest Product<br>(গছবিহীন বনজ উৎপাদিত সামগ্ৰী) |
| PDS<br>(পি ডি এছ) | Public Distrubution System<br>(ৰাজহুৱা বিতৰণ ব্যৱস্থা) |
| PRA<br>(পি আৰ এ) | Participatory Rural Appraisal<br>(গ্ৰামীণ অংশগ্ৰহণকাৰীৰে যোগাযোগ) |
| Rs.<br>(আৰ এছ) | Indian Rupee<br>(ভাৰতীয় মুদ্ৰা) |
| SHG<br>(এছ এইচ জি) | Self Help Group<br>(আত্মসহায়ক গোট) |
| VCDC<br>(ভি চি ডি চি) | Village Council Development Committee<br>(গ্ৰাম পৰিষদ উন্নয়ন সমিতি) |

# বৰঙাজুলি পৰিৱেশ উন্নয়ন সমিতি

## জীৱিকা বিকাশ পৰিকল্পনা

## সূচীপত্ৰ


(১) পাতনি ঃ .................................................... ৪

(২) গ্ৰামীণ আৰ্থ-সামাজিক আকৃতি......................... ৪

(৩) জীৱিকাৰ সুযোগ বিশ্লেষণ............................. ৯

(৪) পি আৰ এ অনুশীলনৰ দ্বাৰা অগ্ৰাধিকাৰভিত্তিক তালিকা....... ১১

অতিৰিক্ত সূচী ........................................... ১৪-৩৯

## (১) পাতনি

**পৰিকল্পনাৰ বিষয়** ঃ বন আৰু জৈৱিক সংৰক্ষণৰ অসম পৰিকল্পনাৰ মুখ্য লক্ষ্য হ'ল কিছু লক্ষ্যস্থানত বন বিভাগৰ সহযোগিতা আৰু বিভিন্ন ধৰণৰ বহুমুখী পৰিকল্পনাৰ জৰিয়তে গ্ৰহণযোগ্য বনজ আৰু জৈৱিক সংৰক্ষণ আৰু নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা আৰু এনেধৰণৰ ব্যৱস্থাক মজবুত কৰি বনজ আৰু অনা-বনজ জাতীয় বস্তুৰ গ্ৰহণযোগ্য ব্যৱহাৰৰ জৰিয়তে জীৱন ধাৰণৰ সুষম ব্যৱস্থা কৰা। এই আঁচনিৰ লক্ষ্যসমূহ এনেধৰণে বৰ্ণনা কৰা হৈছে। বন বিভাগৰ বিভিন্ন গোটৰ সহযোগিতাত এই গোটসমূহৰ জীৱিকা নিৰ্বাহৰ প্ৰথাসমূহ মজবুত কৰি সংৰক্ষণ আৰু জৈৱিক বৈষম্যৰ গ্ৰহণযোগ্য ব্যৱস্থা কৰা।

ফ্ৰান্স উন্নয়নকামী এজেন্সী, এজেন্সী ফ্ৰান্স ডি ডেভেলপমেণ্ট (এ এফ ডি)ৰ জৰিয়তে এই আঁচনিত বিশেষকৈ ধনৰ সাহায্য আগবঢ়োৱা হৈছে। ইয়াত সহকাৰী ধন যোগাৰ কৰোঁতা হিচাপে আছে অসম চৰকাৰ। বনজ আৰু জৈৱিক পদাৰ্থৰ সংৰক্ষণৰ অসম আঁচনি এই পৰিকল্পনাৰ বাবে নীতি গ্ৰহণ কৰা, চোৰাচিতা কৰা ইত্যাদি বিভিন্ন ব্যৱস্থাৰ বাবে দায়বদ্ধ।

**ক্ষুদ্ৰ আঁচনি আৰু জীৱন ধাৰণ উন্নীতকৰণ** ঃ বজাৰৰ সমৰ্থ অনুযায়ী মূল্যাংকন বৃদ্ধি, বৰ্তমানৰ আঁচনিয়ে উদ্যোগীকৰণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া, মাৰ্কেটিঙৰ ওপৰত গুৰুত্ব দিয়া ইত্যাদিৰ জৰিয়তে জীৱন ধাৰণৰ কাৰ্যকলাপৰ বিষয়ে উন্নয়ন সাধন কৰা। বৰ্তমানৰ জনসংখ্যাৰ ক্ৰমবৰ্ধমান গতিৰ বাবে বৰ্তমানৰ বনজ সম্পদৰ ওপৰত পৰা বিৰাট হেঁচা বা চাপৰ বাবে এনেধৰণৰ ব্যৱস্থাৰ প্ৰয়োজন হৈছে। বজাৰৰ ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি বৰ্তমানৰ বনজ আৰু জৈৱিক বস্তুৰ ওপৰত লাহে লাহে ইয়াৰ মূল্যাংকন সংযোজনৰ সময় আহি পৰিছে। ইয়াৰ উপৰি বনজ সম্পদৰ বাহিৰে অন্যান্য সম্পদৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে সমাজৰ অন্যান্য সদস্যসমূহৰ নৈপুণ্য বৃদ্ধিৰ কৌশলসমূহৰ জৰিয়তে অন্যান্য ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত।

ভাৰতীয় উদ্যোগীকৰণ প্ৰতিষ্ঠান, গুৱাহাটী, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ সহযোগত জীৱিকা বিকাশৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনা হাতত লোৱা হৈছে, যাতে ক্ষুদ্ৰ আঁচনি আৰু জীৱন ধাৰণৰ উন্নয়ন এই ব্যৱস্থাৰ দ্বাৰা সম্ভৱ। এই উমৈহতীয়া অনুষ্ঠানটিক ক্ষুদ্ৰ আঁচনি আৰু জীৱন ধাৰণৰ সুবিধাসমূহৰ যুটীয়া ৰাজশক্তি (কম্‌পেল') নামেৰে নামকৰণ কৰা হৈছে।

এই আঁচনিৰ নীতি-নিয়ম অনুযায়ী এই ক্ষুদ্ৰ পৰিকল্পনাৰ অন্তৰ্ভুক্ত অন্যান্য ব্যৱস্থাসমূহৰ ভিতৰত— 'গ্ৰামীণ আৰু বনজ উন্নীতকৰণৰ অন্যান্য ব্যৱস্থাসমূহ— বনাঞ্চল নিৰ্ভৰশীল সদস্যসকলৰ জীৱন ধাৰণৰ ব্যৱস্থাত সহায় কৰা, বন পৰিচালনাত যথেষ্টসংখ্যক বিষয়া/কৰ্মচাৰীৰ সহায় লোৱা ইত্যাদি।' ইয়াত বন বিভাগ আৰু জীৱন ধাৰণৰ উন্নয়নকৰণৰ বিভিন্ন ব্যৱস্থা জড়িত হৈ আছে।

**বৰঙাজুলি ই ডি চিৰ বাবে ক্ষুদ্ৰ প্ৰকল্প** ঃ এই পৰিকল্পনাত বৰঙাজুলি পৰিৱেশ উন্নয়ন সমিতি (ই ডি চি)ৰ বাবে ক্ষুদ্ৰ প্ৰকল্পৰ তথ্য দাঙি ধৰা হৈছে। এই সমিতিখন অসমৰ ওদালগুৰি জিলাৰ এফ ডি টি পি বন সংমণ্ডলৰ অধীনস্থ বি টি চি মণ্ডলত অৱস্থিত। পৰৱৰ্তী শিতানত এই কমিটীৰ বিষয়ে আলোচনা কৰা হৈছে।

বৰ্তমানৰ ক্ষুদ্ৰ আঁচনিখন ৰাইজৰ দ্বাৰা তৈয়াৰ কৰা হৈছে। এই দলিলখন গ্ৰামীণ অংশগ্ৰহণকাৰীৰে যোগাযোগৰ দ্বাৰা তৈয়াৰ কৰা হৈছে।

## (২) গ্ৰামীণ আৰ্থ-সামাজিক আকৃতি

**স্থান** ঃ বৰঙাজুলি সংৰক্ষিত বনাঞ্চল সংলগ্ন বৰঙাজুলি-১ আৰু বৰঙাজুলি-২ৰ আৱাসী

এলেকাৰ জনসাধাৰণক লৈ পৰিৱেশ উন্নয়ন সমিতি (ই ডি চি) গঠন কৰা হৈছে। অসমৰ ওদালগুলি জিলাৰ ৰাজাগড় ভি চি ডি চিৰ অধীনস্থ এলেকাক এই ই ডি চিয়ে সামৰি লৈছে।

**অতিৰিক্ত সূচী (১)ত ইয়াৰ তথ্য গাঁৱৰ মানচিত্ৰসহ দেখুওৱা হৈছে।**

**প্ৰধান তথ্যসমূহ** : **ই ডি চিৰ প্ৰধান তথ্যসমূহ তলত উল্লেখ কৰা হ'ল—**

**তালিকা (ক) ই ডি চিৰ প্ৰধান তথ্যসমূহ—**

| **ই ডি চিৰ নাম** | **বৰঙাজুলি** |
|---|---|
| বসতি এলেকা<br>ৰাজহ গাঁৱৰ নাম | বৰঙাজুলি<br>বৰঙাজুলি |
| গাঁও পঞ্চায়ত/ভিচিডিচিৰ নাম | ৰাজাগড় |
| ৰাজহ চক্ৰ | হৰিশিঙা |
| জিলা | ওদালগুৰি |
| বন সংমণ্ডল | ধনশিৰি |
| বনাঞ্চল ক্ষেত্ৰীয় এলেকা | বৰনদী |
| বনাঞ্চলৰ বীট এলেকা | বৰনদী |
| স্থাপিত | ২০১৬ |
| ই ডি চিৰ সীমা বৰ্ণনা | জি পি এছ নিয়ন্ত্ৰিত<br>N 26⁰46'30"N, E 91⁰45'0"E<br>উত্তৰে ঃ বন এলেকা<br>দক্ষিণে ঃ ২নং বৰঙাজুলি<br>পশ্চিমে ঃ ৰাজাগড় ই ডি চি<br>পূবে ঃ বাদলাপাৰা চাহ বাগিচা |

**উৎস** ঃ ২৭ এপ্ৰিল, ২০১৭ত পি আৰ এ অনুশীলনত হোৱা আলোচনা আৰু ই ডি চিৰ সংগৃহীত তথ্যৰ আধাৰত। **(অতিৰিক্ত বিশদ তথ্য তালিকা-১ ৰেকৰ্ড-১ অতিৰিক্ত সূচীত সন্নিৱিষ্ট)**

**কাৰ্যনিৰ্বাহক কমিটী আৰু সাধাৰণ সভাৰ চমু বিৱৰণ** **নিম্নোক্ত নক্সাত ই ডি চিৰ কাৰ্যনিৰ্বাহক সভা আৰু সাধাৰণ সভাৰ চমু বিৱৰণ প্ৰকাশ কৰা হ'ল—**

**নক্সা খ— কাৰ্যনিৰ্বাহক আৰু সাধাৰণ সভাৰ চমু বিৱৰণ**

| | |
|---|---|
| **সভাপতিৰ নাম** | শৰৎ শৰ্মা |
| **সম্পাদকৰ নাম** | ৰাতুল নাৰ্জাৰী |
| **কোষাধ্যক্ষৰ নাম** | লক্ষী কলিতা |
| **পঞ্জীয়ন নম্বৰ** | MTP/EDC/21 |
| **কাৰ্যবাহী কমিটীৰ সদস্যৰ সংখ্যা** | পুৰুষ- ৬, মহিলা- ৩ |
| **সাধাৰণ সভাত সদস্যৰ সংখ্যা** | প্ৰতিঘৰ আৰাসীৰ এজনকৈ সদস্য (৭৭০জন) |

**উৎস** ঃ ই ডি চিৰ ৰেকৰ্ড মতে।

**ঘৰে প্ৰতি জনসংখ্যাৰ নমুনা** ঃ উল্লেখিত ই ডি চি এলেকাত বৰঙাজুলি-১ আৰু বৰঙাজুলি-২ নামৰ দুখন গাঁও আছে।

প্ৰতিখন গাঁৱৰ আৱাস আৰু জনসংখ্যা ধৰণ তলত উল্লেখ কৰা হ'ল—
(ক) বৰঙাজুলি-১ ঃ মুঠ আৱাস- ৩৩৪ আৰু মুঠ জনসংখ্যা- ১৬৮০
(খ) বৰঙাজুলি-২ ঃ মুঠ আৱাস- ৪৩৬ আৰু মুঠ জনসংখ্যা- ২৯৮০
ই ডি চি এলেকাটোত মুঠ আৱাসৰ সংখ্যা হৈছে ১৭৭০। মুঠ জনসংখ্যা ৪৬৬০। ইয়াৰে ভিতৰত ২৪৭০গৰাকী পুৰুষ আৰু ২১৯০গৰাকী মহিলা। এলেকাটোৰ ৭৭০টা আৱাসী পৰিয়ালৰ ভিতৰত ১১৪টা আৱাসী পৰিয়াল অসংৰক্ষিত সাধাৰণ শ্ৰেণীৰ, ২৭২টা আৱাসী পৰিয়াল অন্যান্য পিছপৰা শ্ৰেণীৰ, ৩৮০টা পৰিয়াল অনুসূচিত জাতি আৰু বাকী থকা ৪টা পৰিয়াল অনুসূচিত জনজাতিৰ।

তালিকা- ১, ৰেকৰ্ড- ১ ঃ সবিশেষ তথ্যৰ বাবে চাব পৰা যায়।

ওপৰোক্ত তথ্যৰ ভিত্তিত দেখা যায় যে—

(১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা- ৬।

(২) গাঁওখনত পুৰুষ মহিলাৰ অনুপাত- প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে ৮৮৭ মহিলা।

**মাটি** ঃ ই ডি চি এলেকাৰ উৰ্বৰ মাটিয়ে চাহখেতিকে ধৰি অন্যান্য খেতিৰ বাবে উপযোগী আৰু এলেকাটোৰ মাটি যথেষ্ট উৰ্বৰ বুলি কোৱা হৈছে।

**পানী** ঃ প্ৰকল্প এলেকাৰ মাজেৰে 'নালানদী' নামৰ নৈখন বৈ গৈছে। ইয়াৰ পানী বছৰজুলি উপলব্ধ।

**জলবায়ু ঃ উত্তাপ আৰু বৰষুণৰ মাত্ৰা** ঃ ই ডি চি এলেকাৰ জলবায়ুত আৰ্দ্ৰতাৰ পৰিমাণ বেছি। একেদৰে পৰিৱেশত গৰম আৰু শীতৰ প্ৰভাৱো আছে। ই ডি চি এলেকাটো অসমৰ উত্তৰ প্ৰান্তৰ সমতল ভূমিত অৱস্থিত। গ্ৰীষ্মকালত (মে'ৰ পৰা ছেপ্টেম্বৰলৈ) অত্যধিক বৰষুণ হয়। অঞ্চলটোত বৰষুণৰ পৰিমাণ সাধাৰণতে ২০০০ এম এম আৰু উষ্ণতা ৩৪.৫০° চেলচিয়াছৰ পৰা সৰ্বনিম্ন ১৩.৫০° চেলচিয়াছ পৰ্যন্ত হয়। আৰ্দ্ৰতাৰ পৰিমাণ ৮২-৮৮ শতাংশ হোৱা দেখা যায়।

**বন আৰু জৈৱিক ভিন্নতা** ঃ ই ডি চি এলেকাটোত বহু মূল্যৱান গছ, যেনে— গমাৰী, তিতাচপা, শাল, টিক আদি পোৱা যায়। ই ডি চি গাঁওখনত চাহ খেতি প্ৰধান খেতি। অঞ্চলটোত উৎপাদিত অন্যান্য প্ৰয়োজনীয় গছৰ ভিতৰত আম, কঁঠাল, বাঁহ আদি অন্যতম।

**মাটি ব্যৱহাৰৰ পদ্ধতি** ঃ অনুসূচী- ২ত এই বিষয়ে বিশেষভাৱে দিয়া আছে।

শস্য পথাৰ— ০.৯০%
নদী— ১০.৬৩%
পথ— ১.৫১%
নিষ্পত্তি হোৱা মাটিকালি— ১৫.৩৮%
চাহ বাগিচা— ৭১.৫৮%

**মাটিৰ দখল** ঃ **তালিকা ৩ৰ ৰেকৰ্ড ১ত দখলত থকা মাটিৰ অৱস্থাৰ বিষয়ে গম পোৱা যায়।**

- ৮.৪% আৱাসী পৰিয়াল ভূমিহীন
- ৩৭% আৱাসী পৰিয়াল মধ্যমীয়া খেতিয়ক
- ৫৪.২% ক্ষুদ্ৰ খেতিয়ক
- ০.৩৮% আৱাসী পৰিয়াল অৱস্থাসম্পন্ন খেতিয়ক

**পশুপালন** ঃ গাঁওখনত সৰ্বমুঠ পালিত পশুৰ সংখ্যা হ'ল— ৪১১৪। মূল পশুপালন হ'ল—

| | | |
|---|---|---|
| গাইগৰু | ঃ | ১৫০০ |
| ছাগলী | ঃ | ৬০০ |
| হাঁহ-কুকুৰা পালন | ঃ | ১০২২ |
| হাঁহ | ঃ | ৮২২ |
| গাহৰি | ঃ | ১৭০ |

**তালিকা ৪ৰ ৰেকৰ্ড-১**খন বিভিন্ন সময়ত প্ৰয়োজন অনুযায়ী ওপৰোক্ত হিচাপৰ লগত সংযোগ কৰিব পাৰি।

**গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগৰ সুবিধা** ঃ যিকোনো সমাজত যোগাযোগৰ আন্তঃগাঁথনি ব্যৱস্থাই জীৱিকা বিকাশৰ বিকল্পত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। গাঁৱৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্তোষজনক।

**নক্সা-৫** ৰেকৰ্ড- ১তএই বিষয়ে বিশদভাৱে প্ৰকাশ কৰা হ'ল।

ওপৰোক্ত নক্সাৰ পৰা গাঁৱৰ আন্তঃগাঁথনিৰ বিষয়ে নিম্নোক্ত কথাখিনি ক'ব পাৰি—

**মূল আন্তঃগাঁথনি ঃ** ই ডি চি এলেকাটোৰ আৱাসীসকলে মূল আন্তঃগাঁথনিগত বিষয়, যেনে— খোৱাপানী যোগান, ৰজহুৱা বিতৰণ ব্যৱস্থা, যাতায়াত ব্যৱস্থা, ম'বাইল সেৱা আদিৰ পৰা বঞ্চিত।

**শিক্ষা আৰু স্বাস্থ্য সেৱাৰ সুবিধা** ঃ বৰগুৰাজুলি ই চি ডি এলেকাত ৫খন প্ৰাথমিক বিদ্যালয়, ১খন মজলীয়া বিদ্যালয় আৰু ২টা অংগনৱাড়ী কেন্দ্ৰ আছে। কিন্তু অঞ্চলটোত শিক্ষা আৰু স্বাস্থ্য সেৱাৰ সুবিধা সন্তোষজনক নহয়। অঞ্চলটোৰ আৱাসীসকলে উচ্চ শিক্ষাৰ বাবে গাঁৱৰ বাহিৰলৈ যাব লগা হয়। আনহাতে স্বাস্থ্য সেৱা খণ্ডতো বিশেষ অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। কিয়নো অঞ্চলটোত দুটাকৈ জনস্বাস্থ্য কেন্দ্ৰ আছে যদিও সজাগতাৰ অভাৱৰ বাবে স্থানীয় লোকসকলে স্বাস্থ্য সেৱাৰ সুবিধাৰ পৰা বঞ্চিত হোৱা দেখা যায়। অঞ্চলটোত বিশুদ্ধ খোৱাপানীৰ সমস্যাও আছে।

**চৰকাৰী কাৰ্যালয় ঃ** গাঁওখনত এটা ডাকঘৰ আছে যদিও অন্যান্য চৰকাৰী প্ৰতিষ্ঠান যেনে— আৰক্ষী থানা, গাঁও পঞ্চায়তৰ কাৰ্যালয়, ৰাজহ বিভাগৰ কাৰ্যালয়, বীট অফিচ আদি যথেষ্ট দূৰত অৱস্থিত।

**বিত্তীয় প্ৰতিষ্ঠান ঃ** বিত্তীয় প্ৰতিষ্ঠানৰ সুবিধা, যেনে— বেংক, ডাকঘৰ আদি ডি চি এলেকাটোৰ পৰা যথেষ্ট দূৰত।

**কৃষিজাত শস্য** ঃ তালিকা-৬ ৰেকৰ্ড-১ গাঁৱত উৎপন্ন হোৱা কৃষিজাতীয় শস্যৰ বিশেষ বিৱৰণ দিয়া হৈছে।

নিম্নোক্ত শস্যসমূহ মুখ্য শস্য বুলি এই গাঁৱত জনাজাত।

খাৰিফ শস্য ঃ নাই

ৰবি শস্য ঃ ৰঙালাউ, পানীলাউ, মূলা, পালেং শাক আদি অন্যতম।

অন্যান্য ঃ চাহ, তামোল ইত্যাদি।

**শস্য উৎপাদনৰ বিৱৰণ** ঃ তালিকা-৭ ৰেকৰ্ড-১ত এই বিষয়ে বিশেষভাৱে দেখুওৱা হৈছে।

তলত উৎপাদন আৰু শস্যৰ গড় তলত দিয়া হ'ল—

- চাহ খেতি ঃ ৭৬৫০০ কুইণ্টল উৎপাদন, ১৫০ কুইণ্টল প্ৰতি হেক্টৰ
- পাচলি ঃ ১৫৩০ কুইণ্টল উৎপাদন, ১৫ কুইণ্টল প্ৰতি হেক্টৰ
- তামোল ঃ ২১৬০ কুইণ্টল উৎপাদন, ২৭০ কুইণ্টল প্ৰতি হেক্টৰ

**পশু খাদ্যৰ উৎস** ঃ **নক্সা-৮** ৰেকৰ্ড-১ত পশুৰ বাবে খাদ্যৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

(ক) খেতিৰ বাকী ৰোৱা অংশ (১ৰ পৰা ৩ মাহ)

(খ) বনাঞ্চলৰ ঘাঁহনি (১ ৰ পৰা ৬ মাহ)

(গ) ঘাঁহ-বন (> ৬ মাহ)

(ঘ) সেউজীয়া খাদ্য (৩ৰ পৰা ৬ মাহ)

| | | |
|---|---|---|
| **বজাৰ** | ঃ | তালিকা- ৯ ৰেকৰ্ড- ১ৰ দ্বাৰা বিভিন্ন বজাৰৰ স্থিতি উল্লেখ কৰা হৈছে। ৰাইজে ব্যৱহাৰ কৰা মুখ্য বজাৰকেইখনমান হ'ল—<br>(ক) গেলামাল ঃ ০ কিঃ মিঃ দূৰত্বৰ নালাপাৰা (গাঁৱৰ ভিতৰতে)<br>(খ) সাপ্তাহিক/অৰ্ধসাপ্তাহিক বজাৰ ঃ ১২ কিলোমিটাৰ দূৰত্বৰ বাদলাপাৰা<br>(গ) ডাঙৰ বা মুখ্য বজাৰ ঃ ১৪ কিলোমিটাৰ দূৰত্বৰ ডিমাকুছি। |
| **জলসম্পদ** | ঃ | **তালিকা ১০ৰ ৰেকৰ্ড ১ত জলজ সম্পদ পোৱা যায়। জলজ সম্পদ থকা উৎসসমূহ হ'ল—**<br>(ক) কুঁৱা ঃ (পানী সদায় থাকে)<br>(খ) নলীনাদ ঃ (পানী সদায় থাকে)<br>(গ) জান ঃ (পানী সদায় থাকে) |
| **শক্তিৰ ব্যৱহাৰ** | ঃ | **তালিকা ১১ৰ ৰেকৰ্ড ১ত এই বিষয়ে বিশেষ উল্লেখ কৰা হৈছে। এই তালিকাত গাঁৱত ব্যৱহৃত শক্তিৰ মুখ্য উৎসৰ বিষয়ে আলোচনা কৰা হৈছে।**<br>**(ক)** খৰি ঃ নিৰ্ভৰশীল পৰিয়াল— ৭৭০টা, উৎস ঃ বনাঞ্চলৰ বাহিৰৰ বজাৰৰ পৰা সংগ্ৰহ কৰা।<br>**(খ)** কেৰাচিন ঃ নিৰ্ভৰশীল পৰিয়াল— ২৫০টা, উৎস ঃ খোলা বজাৰৰ পৰা সংগ্ৰহ কৰা হয়।<br>**(গ)** এল পি জি ঃ নিৰ্ভৰশীল পৰিয়াল— ৪০০টা, উৎস ঃ এজেন্সী |
| **আৰ্থ-সামাজিক মৰ্যাদা** | ঃ | **সামাজিক স্থিতি ঃ** গাঁওখনত মিশ্ৰিত অসমীয়া, বড়ো, বাঙালী জনগোষ্ঠীয় লোক আছে আৰু তেওঁলোকক অ' বি চি, এছ চি আৰু সাধাৰণ শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে। লোকসকল হিন্দু আৰু খ্ৰীষ্টান ধৰ্মীয়।<br>গাঁওখনৰ লোকসকলৰ সামাজিক স্থিতি ভেদাভেদহীন। মহিলাৰ স্থিতি সন্তোষজনক।<br>**আৰ্থিক অৱস্থা ঃ** আৰ্থিক স্থিতি এই গাঁৱত সন্তোষজনক। লোকসকলৰ মূল পেছা চাহ খেতি যদিও দিন হাজিৰা কৰা, ক্ষুদ্ৰ ব্যৱসায়, পশুপালন আদি। গাঁওখনৰ লোকসকলে বছৰি ৭২,০০০ টকাৰ পৰা ৮,০০,০০০ টকা পৰ্যন্ত আয় কৰে। |
| **বন্যপ্ৰাণী সংৰক্ষিত এলেকাৰ প্ৰভাৱ** | ঃ | **যোগাত্মক প্ৰভাৱ ঃ**<br>• মাটি আৰু পানীৰ সংৰক্ষণ<br>• পৰ্যটনৰ পৰা অৰ্থনৈতিক লাভালাভ<br>• পৰিৱেশৰ উন্নয়ন |
| | ঃ | **ঋণাত্মক প্ৰভাৱ ঃ**<br>• মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সংঘাত<br>• পোহনীয়া জন্তু আৰু অৱশিষ্ট খাদ্যশস্যৰ বাবে বন্যপ্ৰাণীৰে সংঘাত<br>• বন্যপ্ৰাণীৰ দ্বাৰা সম্পত্তিৰ ক্ষতিসাধন |
| **মানচিত্ৰ** | ঃ | **অনুসূচী-১ আৰু ২ত উল্লিখিত মানচিত্ৰত বিশদ আলোচনা কৰা হৈছে।**<br>(ক) গাঁৱৰ মেপ |

(খ) গাঁৱৰ সামাজিক মেপ

(গ) গাঁৱৰ সমূহীয়া সম্পদৰাজিৰ মেপ

(ঘ) ভেন চিত্ৰ

(ঙ) কপাটি চিত্ৰ

## ৩ জীৱিকাৰ সুযোগ বিশ্লেষণ

**জীৱিকাৰ সুযোগ বিশ্লেষণ** ঃ নিম্নোক্ত চৰ্তসমূহৰ সহায় লৈ জীৱিকাৰ সুযোগ বিশ্লেষণৰ আৰ্হি প্ৰস্তুত কৰা হৈছে।

(ক) জীৱিকাৰ সম্পদ

(খ) জীৱিকাৰ ধৰণ

(গ) সম্ভাব্য জীৱিকাৰ ওপৰত অগ্ৰাধিকাৰৰ শ্ৰেণীবদ্ধকৰণ

বৰঙাজুলি ই ডি চি এলেকাত পি আৰ এ অনুশীলনৰ সময়ত জীৱিকাৰ বাস্তৱ স্থিতি সম্পৰ্কে পৰ্যালোচনা চলোৱা হয়। এই পৰ্যালোচনা আন্তঃৰাষ্ট্ৰীয় বিকাশ সম্পৰ্কীয় বিত্তীয় বিভাগৰ (ডি এফ ডি আই) দীৰ্ঘম্যাদী জীৱিকাৰ আৰ্হিৰ ভিত্তিত চলোৱা হয়। ই ডি চি এলেকাটোৰ সাম্প্ৰতিক জীৱিকা সম্পৰ্কত তলত উল্লেখ কৰা বিষয়ত স্থিতি নিৰূপণ কৰা হয়।

(ক) প্ৰাকৃতিক মূলধন

(খ) আন্তঃগাঁথনিগত মূলধন

(গ) সামাজিক মূলধন

(ঘ) মানৱ মূলধন

(ঙ) বিত্তীয় মূলধন

**প্ৰাকৃতিক মূলধন** ঃ বৰ্তমানৰ ই ডি চি বৰনদী বন্যপ্ৰাণী সংৰক্ষণ এলেকাৰ অধীনস্থ আৰু ই ডি চি এলেকাৰ মাজেৰে নলানদী নৈখন বৈ গৈছে।

গাঁওবাসীয়ে খোৱাপানী আৰু ঘৰুৱা ব্যৱহাৰৰ বাবে গভীৰ নলীনাদ ব্যৱহাৰ কৰে।

অঞ্চলটোত প্ৰধান প্ৰাকৃতিক সম্পদৰাজিৰ ভিতৰত গমাৰী, তিতাচপা, শাল, টিক আদি অন্যতম। ই ডি চি এলেকাটোত আম, কঁঠাল, বাঁহ আদিও উৎপাদন কৰা হয়।

(অনুসূচী-৬ তালিকা-১০ত বিশদ উল্লেখ আছে।)

**আন্তঃগাঁথনিগত মূলধন** ঃ বৰঙাজুলি ই ডি চিৰ গৰিষ্ঠসংখ্যক আৱাসী চাহ খেতি আৰু তামোল খেতিৰ সৈতে জড়িত। তেওঁলোকক মধ্যম শ্ৰেণীৰ খেতিয়ক হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে।

(অনুসূচী-৬ তালিকা- ৩ত আৱাসীৰ দখলীকৃত মাটিৰ তথ্য দিয়া হৈছে।)

গাঁওখনত মুঠ আৱাসীৰ ভিতৰত ৩২০টা পৰিয়ালৰ আধা পকী ঘৰ আৰু বাকী ৪৫০টা পৰিয়ালৰ পকী ঘৰ আছে। আৱাসীসকলৰ ইন্ধন ব্যয়ৰ হিচাপ অনুযায়ী অধিকসংখ্যকে ঘৰুৱা তথা অন্যান্য ব্যৱহাৰৰ খৰি আৰু কেৰাচিনৰ ওপৰত নিৰ্ভৰশীল। ই ডি চি এলেকাটোৰ পথসমূহ আংশিকভাৱে পকী। জলসম্পদৰ ভিতৰত নলানদী নৈখন অন্যতম।

**সামাজিক মূলধন** ঃ ই ডি চি এলেকাটোত কিছুমান সামাজিক প্ৰতিষ্ঠান, যেনে— নিম্ন প্ৰাথমিক বিদ্যালয়, মজলীয়া বিদ্যালয়, মন্দিৰ, গিৰ্জা, যুৱক সংঘ, সাংস্কৃতিক মঞ্চ আদি আছে। এই

প্ৰতিষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নতমানৰ।

**মানৱ মূলধন** ঃ ই ডি চি এলেকাটোৰ মুঠ জনসংখ্যাৰ ভিতৰত ৬৫ শতাংশ শিক্ষিত। আনহাতে প্ৰায় ৩৫ শতাংশ লোক অশিক্ষিত। ই ডি চি এলেকাটোৰ প্ৰায় সকলো লোকে পৰম্পৰাগতভাৱে চাহ খেতিত দক্ষতা ৰাখে।

**বিত্তীয় মূলধন** ঃ ই ডি চি এলেকাটোত কোনো ধৰণৰ চৰকাৰী বেংক-বিত্তীয় প্ৰতিষ্ঠান নাই। ই ডি চি এলেকাৰ পৰা ১৪ কিঃমিঃ দূৰত্বত ডিমাকুছিত এটা বেংক আছে। অৱশ্যে গাঁওবাসীয়ে অনানুষ্ঠানিক ঋণদাতা, আত্মসহায়ক গোট অথবা সম্পৰ্কীয়ৰ পৰা ঋণ আদি লয়।

অঞ্চলটোৰ প্ৰায় ৪০ শতাংশ লোকৰে বাণিজ্যিক বেংকত একাউণ্ট আছে যদিও তেওঁলোকে বিত্তীয় সা-সুবিধাৰ বিষয়ে অৱগত নহয়।

**জীৱিকাৰ ধৰণ** ঃ বৰঙাজুলি ই ডি চি এলেকাৰ জীৱিকা সম্পৰ্কীয় কাম-কাজক নিম্নোক্ত চৰ্তসমূহৰ ভিত্তিত চিনাক্ত কৰা হৈছে।

(ক) ই ডি চি এলেকাৰ মুঠ আয়ৰ ভিতৰত জীৱিকাৰ অৱদান

(খ) বিশেষ শ্ৰেণীৰ জীৱিকাৰে আয় কৰা লোকৰ সংখ্যা শতাংশৰ ভিত্তিত

(গ) সম্ভাব্য জীৱিকাৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত শ্ৰেণীবদ্ধকৰণ

**ই ডি চি এলেকাৰ মুঠ আয়ৰ ভিতৰত জীৱিকাৰ অৱদান** ঃ

(ক) চাহ খেতি

(খ) তামোল খেতি

(গ) দৈনিক মজুৰি

(ঘ) পশুপালন

(ঙ) চাকৰি

(চ) ক্ষুদ্ৰ ব্যৱসায়

**বিশেষ শ্ৰেণীৰ জীৱিকাৰে আয় কৰা লোকৰ সংখ্যা শতাংশৰ ভিত্তিত** ঃ গাঁওখনত চলোৱা পি আৰ এ অনুশীলন আৰু আৱাসৰ সমীক্ষা অনুসৰি ওপৰত উল্লেখিত জীৱিকাত গাঁওবাসীয়ে বছৰটোত জড়িত হয়।

প্ৰাথমিক জীৱিকা ঃ চাহ খেতি, দিন মজুৰি

বিকল্প জীৱিকা ঃ তামোল খেতি, পশুপালন, ক্ষুদ্ৰ ব্যৱসায়

কিছুমান ব্যক্তি চাকৰি সূত্ৰেও ব্যস্ত।

**সম্ভাব্য জীৱিকাৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত শ্ৰেণীবদ্ধকৰণ** ঃ অগ্ৰধিকাৰ ভিত্তিত জীৱিকাৰ শ্ৰেণীবদ্ধকৰণ আৰু দক্ষতা বিকাশ

(১) বয়ন

(২) পশুপালন

(৩) দিন মজুৰি

## ৪ পি আৰ এ অনুশীলনৰ দ্বাৰা অগ্ৰাধিকাৰভিত্তিক তালিকা

**পি আৰ এ অনুশীলন** ঃ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ জৰিয়তে বৰঙাজুলি ই ডি চিত এক অনুশীলন কৰা হৈছিল— তাৰিখ ঃ ২৭ এপ্ৰিল ২০১৭, স্থান ঃ বৰঙাজুলি এল পি স্কুল। উপস্থিত জনসংখ্যা ঃ ৩৫জন। ই ডি চিৰ সামাজিক সদস্যৰ উপৰি ইয়াত উপস্থিত আছিল— গাঁওবুঢ়া, কাৰ্যবাহী সদস্য, বন বিভাগৰ সদস্য আদি।

**লক্ষ্য** ঃ বৰঙাজুলি ই ডি চিৰ ৰাইজৰ সৰ্বাংগীণ বিকাশৰ উদ্দেশ্যে আৱাসী লোকসকলৰ বৰ্তমানৰ অৱস্থা সম্পৰ্কত গঞা ৰাইজৰ মাজৰ পৰা বিভিন্ন তথ্য গ্ৰহণ কৰি বনাঞ্চল বিকাশ আৰু জীৱিকা বিকাশৰ সূত্ৰ উদ্ভাৱন কৰাটোৱেই ইয়াৰ লক্ষ্য।

**পদ্ধতিৰ ব্যৱহাৰ আৰু ইয়াৰ পৰিণতি** ঃ পদ্ধতিৰ ব্যৱহাৰ আৰু ইয়াৰ পৰিণতি তলত দিয়া ধৰণে—

সামাজিক মেপিং
সম্পত্তি আহৰণকাৰীৰ স্থান
সময়ভিত্তিক পৰ্যালোচনা
জীৱন ধাৰণৰ অৱস্থাসমূহ
ভেন চিত্ৰ
চপাটি চিত্ৰ
অনুসূচী ঃ ৪ ওপৰোক্ত বিষয়বোৰৰ সম্পূৰ্ণকৈ আলোকপাত কৰা হৈছে।

**শ্ৰেণীবদ্ধকৰণ** ঃ নিম্নোক্ত বিষয়কেইটাৰ বাবে শ্ৰেণীবদ্ধকৰণ অনুশীলন চলোৱা হয়।

(১) জীৱিকা আৰু নৈপুণ্য বিকাশ
(২) প্ৰাৰম্ভিক কাৰ্য ব্যৱস্থাপনা (ই পি এ)

তালিকা ঃ (ক) ই পি এৰ শ্ৰেণীবদ্ধকৰণ

| স্থান | গাঁৰৰ ই পি এৰ শ্ৰেণীবদ্ধ | বিশদ বিৱৰণ | সম্ভাব্য বিত্তীয় উৎস |
|---|---|---|---|
| ১ | প্ৰেক্ষাগৃহ | নিয়াৰিকৈ সামাজিক মিটিং আয়োজন কৰা | পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন |
| ২ | সৌৰশক্তিচালিত লাইট | বাঘবাৰী বীট বন শিবিৰৰ চাৰিসীমাত | এ পি এফ বি চি |
| ৩ | ই ডি চিৰ বেৰ | ই ডি চি চাৰিসীমাত বেৰ দিয়া | এ পি এফ বি চি |
| ৪ | হস্ততাঁত | বহুমুখী ব্যৱহাৰৰ বাবে এটা প্ৰশিক্ষণ কেন্দ্ৰ | এ পি এফ বি চি |
| ৫ | শৌচাগাৰ | চাহ বাগিচাত কাম কৰা মহিলাৰ বাবে সাধাৰণ শৌচাগাৰৰ সুবিধা | পি এইচ ই ডি |

**জীৱিকাৰ সুযোগ** ঃ জীৱিকাৰ সুযোগবোৰ তলত চিনাক্ত কৰা হ'ল—

- তামোল গছ
- চাহগছ ৰোপণ
- হস্ততাঁত
- পশুপালন

জীৱিকাৰ সুযোগবোৰ তলত চিনাক্ত কৰা হ'ল—

ই ডি চি এলেকাৰ গাঁওবাসীসকলৰ সাম্প্ৰতিক জীৱিকা আৰু তেওঁলোকৰ বাবে প্ৰয়োজনীয় দক্ষতা বিকাশ বা অগ্ৰাধিকাৰ সম্পৰ্কে পৰ্যালোচনা চলোৱা হয়। এইক্ষেত্ৰত কৃষিখণ্ড আৰু অনা-কৃষিখণ্ড হিচাপে দুটা ভাগত ভাগ কৰা হয়। এই সন্দৰ্ভত গাঁওবাসীৰ সঁহাৰি তলৰ তালিকাত দাঙি ধৰা হ'ল।

তালিকা ঃ (খ) জীৱিকাৰ সুযোগবোৰ শ্ৰেণীবদ্ধকৰণ

| কাৰ্য আঁচনি ধৰণ | অগ্ৰাধিকাৰ ভিত্তিত মূল্যাংকন | | | | |
|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ৫ |
| হস্তশিল্প | ১ | — | — | — | — |
| তামোল | — | ২ | — | — | — |
| চাহগছ ৰোপণ | — | — | ৩ | — | — |
| পশুপালন | — | — | — | ৪ | — |

উৎস ঃ পি আৰ এ

পি আৰ এ অনুশীলনৰ সময়ত দেখা গ'ল যে কৃষিকৰ্ম আৰু ইয়াৰ সহযোগী কৰ্ম, যেনে— মৌপালন, ৰেচম শিল্পজাতীয় প্ৰশিক্ষণ কাৰ্যসূচী হতাশাজনক বিবেচিত হৈছে। এলেকাটো মুখ্যতঃ চাহ খেতিৰ বাবে ব্যৱহৃত হৈছে আৰু ই ডি চি এলেকা তথা ইয়াৰ সমীপৱৰ্তী এলেকাত প্ৰখ্যাত চাহ কোম্পানীসমূহ অৱস্থিত। এই সম্পৰ্কত অতিৰিক্ত আলোচনা তলত আগবঢ়োৱা হ'ল।

**চাহ খেতি** ঃ তালিকা-১২ ৰেকৰ্ড-২ত চাহ খেতিপ্ৰধান এলেকাটোত আন সুযোগৰ বিশ্লেষণ আগবঢ়োৱা হৈছে।

**মূল সমস্যাসমূহ—**

(ক) বনৰীয়া জন্তুৰ বিচৰণ ৰোধৰ বাবে বেৰৰ অভাৱ

(খ) জলসিঞ্চন ব্যৱস্থাৰ অভাৱ।

(গ) কৃষি খণ্ডৰ বিকাশৰ বাবে আধুনিক যন্ত্ৰ-পাতিৰ অভাৱ।

**সুযোগসমূহ—**

(ক) জলসিঞ্চনৰ ব্যৱস্থা আগবঢ়োৱা

(খ) জৈৱিক কৃষি পদ্ধতিৰে উৎপাদন বঢ়োৱা

**এইক্ষেত্ৰত নিম্নোক্ত পৰামৰ্শ আগবঢ়োৱা হ'ল—**

- জৈৱিক কৃষিৰ প্ৰশিক্ষণ
- চাহ খেতি উৎপাদনৰ বাবে দক্ষতা বিকাশ প্ৰশিক্ষণ

**হস্তশিল্প** ঃ তালিকা-১৩ ৰেকৰ্ড-২ত হস্তশিল্প সুযোগৰ বিশ্লেষণ আগবঢ়োৱা হৈছে।

**মূল সমস্যাসমূহ—**

(ক) আধুনিক প্ৰযুক্তিৰ তাঁতশাল আদিৰ দৰে যন্ত্ৰৰ অভাৱ

(খ) আধুনিক প্ৰযুক্তি ব্যৱহাৰৰ বাবে জ্ঞানৰ অভাৱ

**সুযোগসমূহ—**

(ক) মহিলাসকল পৰম্পৰাগতভাৱে বয়ন শিল্পত দক্ষ। ই ডি চিয়ে অঞ্চলটোত প্ৰয়োজনীয় সূতা আৰু উৎপাদিত বস্ত্ৰৰ ক্ৰয়-বিক্ৰয়েৰে গ্ৰামাঞ্চলৰ বিকাশত অৰিহণা যোগাব পাৰে।

(খ) পৰম্পৰাগতভাৱে মহিলাসকল দক্ষ হোৱা হেতুকে নতুন প্ৰযুক্তিৰ সৈতে পৰিচয় কৰোৱাটো কঠিন নহয়।

**এইক্ষেত্ৰত নিম্নোক্ত পৰামৰ্শ আগবঢ়োৱা হ'ল—**

- হস্তশিল্পৰ আধুনিক প্ৰযুক্তিৰ প্ৰশিক্ষণ
- শিপিনী সংঘৰ সৈতে চামিলকৰণ আদি

**পশুপালন** ঃ তালিকা ১৩ত পশুপালনৰ সুযোগ সম্পৰ্কে সবিশেষ তথ্য দিয়া হৈছে।

**মূল সমস্যাসমূহ—**

(ক) পশু চিকিৎসা কেন্দ্ৰ অভাৱ।

(খ) উপযুক্তভাৱে পশুপালন সম্পৰ্কীয় জ্ঞানৰ অভাৱ।

**সুযোগসমূহ—**

(ক) পশুপালনৰ দ্বাৰা অধিক হাৰত উপাৰ্জন সম্ভৱ।

(খ) গো-ধনৰ জীৱনকাল বৃদ্ধি।

**কাৰ্য আঁচনিৰ পৰামৰ্শ**

(ক) পশুখাদ্যৰ ওপৰত প্ৰশিক্ষণ।

**কাঠবিহীন বনজ উৎপাদক (এন টি এফ পি)** ঃ **অঞ্চলটোৰ সকলো গাঁও সংৰক্ষিত এলেকাৰ সমীপত অৱস্থিত। গতিকে এন টি এফ পি সংগ্ৰহৰ সুযোগ নাই।**

**বিশেষ নিপুণতা** ঃ **তালিকা নং- ১৫ৰ ৰেকৰ্ড ২ৰ** জৰিয়তে নৈপুণ্য উন্নীতকৰণৰ বিভিন্ন প্ৰথা দেখুওৱা হৈছে—

**মুখ্য সমস্যাসমূহ হ'ল—**

- বস্তুৰ ভিন্ন ৰূপান্তৰকৰণৰ অভাৱ
- বস্তুৰ গুণগত দিশৰ ওপৰত উপযুক্ত গৱেষণাৰ অভাৱ
- পৰম্পৰাগত প্ৰযুক্তিৰ ব্যৱহাৰ

**সুবিধাসমূহ হ'ল—**

- নতুন বজাৰ উদ্ভাৱন কৰা
- আৱশ্যকতা অনুযায়ী চাহিদা ভিত্তিক সামগ্ৰীৰ বিকাশ ঘটোৱা

**উল্লেখনীয় পৰামৰ্শসমূহ হ'ল—**

- আধুনিক সা-সঁজুলিৰ ওপৰত প্ৰশিক্ষণ দিয়া।
- নতুন সামগ্ৰীৰে উৎপাদন বিকাশ আৰু ভিন্ন ৰূপান্তৰকৰণৰ বাবে দক্ষতাৰ বিকাশ আৰু প্ৰশিক্ষণ।
- পাইকাৰী হাৰত বস্তুৰ উৎপাদন আৰু বজাৰৰ মাজত এটা যোগসূত্ৰ সৃষ্টি কৰা

**ঋণৰ সুবিধা** ঃ **তালিকা নং- ১৬ৰ ৰেকৰ্ড ২ৰ** জৰিয়তে বিষয়সমূহ আলোচিত হৈছে।

**মুখ্য সমস্যাসমূহ হ'ল—**

- আৰ্থিক ঋণ ব্যৱস্থাৰ অভাৱ।
- ব্যক্তিগতভাৱে ঋণ দিওঁতাই উচ্চ সুদৰ হাৰ বিচাৰে।

**সুবিধাসমূহ হ'ল—**

- আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰা।

**উল্লেখনীয় পৰামৰ্শসমূহ হ'ল—**

- বিভিন্ন চৰকাৰী আঁচনি আৰু ইয়াৰ পৰা হোৱা বিত্তীয় লাভালাভৰ ওপৰত সজাগতা সৃষ্টি কৰা।

**কৌশলগত হস্তক্ষেপ** ঃ জীৱিকা বিকাশ পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপসমূহ ঃ

(১) **চাহ খেতি** ঃ জৈৱিক কৃষিৰ প্ৰশিক্ষণ।

(২) **হস্ততাঁত**

(৩) **পশুপালন** ঃ হাঁহ-কুকুৰা পালন।

(৪) **বিশেষ নৈপুণ্য** ঃ আধুনিক প্ৰযুক্তিবিদ্যাৰ ওপৰত প্ৰশিক্ষণ।

(৫) **কাঠবিহীন বনজ উৎপাদক** ঃ সুযোগ নাই।


(৬) **ঋণৰ সুবিধা** ঃ এলেকাটোত আধুনিক অৰ্থনৈতিক প্ৰতিষ্ঠান স্থাপন কৰা।

**অনুসূচীৰ তালিকা**



| অনুসূচী | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | মেপ | ১৫-১৭ |
| | স্থানীয় মেপ | ১৫ |
| | সামাজিক মেপ | ১৬ |
| | সম্পদৰ উৎসৰ মেপ | ১৭ |
| ২ | গাঁৱৰ ব্যৱহৃত মাটিৰ মেপ (জি আই এছ) | ১৮ |
| | ২.১ অগ্ৰাধিকৰ ভিত্তিত শ্ৰেণী বিভাজন— ই পি এ | ১৯ |
| | ২.২ অগ্ৰাধিকৰ ভিত্তিত শ্ৰেণী বিভাজন— সম্ভাব্য জীৱিকা | ২০ |
| ৩ | ছবি | ২১ |
| ৪ | পি আৰ এ অনুশীলন | ২২ |
| | সামাজিক মেপ নিৰ্মাণ | ২২ |
| | সম্পদশালীৰ মেপ নিৰ্মাণ | ২৫ |
| | নিৰ্দিষ্ট সময়ৰ ঘটনাৱলীৰ পৰ্যালোচনা | ২৬ |
| | বতৰকেন্দ্ৰিক জীৱিকা | ২৬ |
| | ভেন চিত্ৰ | ২৮ |
| | চপাটি চিত্ৰ | ২৯ |
| ৫ | ই ডি চিৰ কাৰ্যবাহী সদস্যৰ তালিকা | ৩০ |
| | ই ডি চিৰ পঞ্জীয়ন পত্ৰ | ৩১ |
| ৬ | প্ৰশিক্ষণ গ্ৰহণকাৰীৰ তালিকা | ৩২ |
| ৭ | পূৰ কৰা প্ৰ-পত্ৰৰ তালিকা (প্ৰ-পত্ৰ ১-৪লৈ) তালিকা ১-১৫লৈ | ৩৩-৩৯ |

## অনুসূচীৰ- ১


## ১. ই ডি চি এলেকাৰ মানচিত্ৰ



## ২. গাঁৱৰ সামাজিক মানচিত্ৰ




## ৩. উৎসৰ মানচিত্ৰ



Bornadi Wildlife Sanctuary
Rang Office
N
S
W
E
Map
Nalanadi
Tea Garden
Mandir
Church
M.E School
L.P School
S.S.B Camp
Anganbadi
Forest Road

# অনুসূচী- ২

## ব্যৱহৃত মাটিৰ মানচিত্ৰ (জি আই এছ)



## Priority Ranking of Entry Point Activity

| Entry Point Activities | | Sanitation A | Drinking Water B | Electricity C | Hospital D | Solar light E | Handloom F | EDC Fencing G | Road H | Education I | Marked Shed J | Community Hall K | Marks | Rank |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| Sanitation | A | X | A | A | A | E | F | G | A | A | A | K | 6 | 5th |
| Drinking Water | B | | X | B | B | E | F | G | B | B | B | K | 5 | 6th |
| Electricity | C | | | X | C | E | F | G | C | C | C | K | 4 | 7th |
| Hospital | D | | | | X | E | F | G | D | D | D | K | 3 | 8th |
| Solar light | E | | | | | X | E | E | E | E | E | K | 9 | 2nd |
| Handloom | F | | | | | | X | G | F | F | F | K | 7 | 4th |
| EDC Fencing | G | | | | | | | X | G | G | G | K | 8 | 3rd |
| Road | H | | | | | | | | X | H | H | K | 2 | 9th |
| Education | I | | | | | | | | | X | I | K | 1 | 10th |
| Marked Shed | J | | | | | | | | | | X | K | 0 | 11th |
| Community Hall | K | | | | | | | | | | | X | 10 | 1st |

**Signatures:** Sarat Sarma — President/Secretary, ... Eco. Dev. Committee; Sukram Baro, Sri ... Sarma, Sri Golok Rajbanshi, Putu ..., Rahim Lama, ... Sarma

## অগ্ৰাধিকাৰ ভিত্তিক- জীৱিকাৰ সুযোগ বিশ্লেষণ

জীৱিকাৰ সম্ভাব্য সুযোগ শ্ৰেণীবদ্ধকৰণ

| **কাৰ্য আঁচনি ধৰণ** | **অগ্ৰাধিকাৰ ভিত্তিত মূল্যাংকন** | | | | |
|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ৫ |
| হস্ততাঁত সম্পৰ্কীয় | ১ | — | — | — | — |
| তামোল | — | ২ | — | — | — |
| চাহ গছ ৰোপণ | — | — | ৩ | — | — |
| পশুধন সম্পৰ্কীয় | — | — | — | ৪ | — |

## অনুসূচী- ৩

## ফটো





## অনুসূচী- ৪

## পি আৰ এ কাৰ্য প্ৰণালী

## গ্ৰামীণ অংশগ্ৰহণকাৰীৰে বুজাবুজিৰ বাবে স্থান আৰু সময়

| অংশগ্ৰহণকাৰীৰ সংখ্যা | ৩৫ |
|---|---|
| সময় | ১০.০০ বজা, ২৭ এপ্ৰিল ২০১৭ |
| স্থান | এল পি স্কুল (বৰঙাজুলি ই ডি চি) |

**তালিকা ৩.১**— বৰঙাজুলি ই ডি চিৰ অন্তৰ্গত গাঁৱৰ তথ্য

| ক্ৰ. নং | গাঁৱৰ নাম | পৰিয়ালৰ সংখ্যা | জনসংখ্যা | | |
|---|---|---|---|---|---|
| | | | মুঠ | পুৰুষ | মহিলা |
| ১ | বৰঙাজুলি | ৭৭০ | ৪৬৬০ | ২৪৭০ | ২১৯০ |
| | মুঠ | ৭৭০ | ৪৬৬০ | ২৪৭০ | ২১৯০ |

উৎস ঃ ক্ষেত্ৰ এলেকা সমীক্ষা

**তালিকা ৩.২**— বৰঙাজুলি ই ডি চিত শিক্ষাৰ মান

| শিক্ষিত | প্ৰাথমিক | মাধ্যমিক | উচ্চ মাধ্যমিক | উচ্চতৰ মাধ্যমিক | স্নাতক আৰু তাৰ ওপৰৰ | মুঠ |
|---|---|---|---|---|---|---|
| ৩৫% | ৪৫% | ১৮% | ৮% | ২% | ২% | ১০০% |

উৎস ঃ পি আৰ এ অনুশীলন

**তালিকা ৩.৩**— বৰঙাজুলি ই ডি চিত উপাৰ্জনৰ শ্ৰেণীবদ্ধকৰণ

| উপাৰ্জনৰ শ্ৰেণী (টকাৰ হিচাপত) বছৰি | পৰিয়ালৰ সংখ্যা |
|---|---|
| ৭২০০০-১০০০০০ | ৬৫ |
| ১০০০০০-২৫০০০০ | ২২০ |
| ২৫০০০০-৫০০০০০ | ২২৫ |
| ৫০০০০০-৮০০০০০ | ২৫৭ |
| > ৮০০০০০ | ৩ |

পি আৰ এ অনুশীলনৰ বাবে ব্যৱহৃত বিভিন্ন আহিলাবোৰ—

(ক) সামাজিক মেপিং
(খ) সম্পত্তি আহৰণকাৰীৰ স্থান
(গ) সাময়িক ঘটনাৰ পৰ্যালোচনা
(ঘ) বতৰভিত্তিক কৰ্মৰ পৰ্যালোচনা
(ঙ) ভেন চিত্ৰ
(চ) চপাটি চিত্ৰ

## ৩.১ সামাজিক মানচিত্ৰ

বৰঙাজুলি ই ডি চিৰ অন্তৰ্গত আৱাসীয় এলেকাত থকা সা-সুবিধা, যেনে— বিদ্যালয়ৰ সংখ্যা, আৱাস নিৰ্মাণৰ পদ্ধতি, সামাজিক আন্তঃগাঁথনি আৰু ধৰ্মীয় বিশ্বাস আদিৰ প্ৰতিচ্ছবি দাঙি ধৰিবলৈ এই মানচিত্ৰ ব্যৱহাৰ কৰা হয়। জি পি এছ পদ্ধতিৰে আমি গাঁওখনৰ গুৰুত্বপূৰ্ণ স্থানসমূহ লিপিবদ্ধ কৰিছো। গাঁওবাসীয়ে এই মানচিত্ৰ প্ৰস্তুতকৰণ প্ৰক্ৰিয়াত অতি


সক্ৰিয়তাৰে আৰু উৎসাহেৰে অংশগ্ৰহণ কৰে।

প্ৰথমে গাঁওবাসীক অঞ্চলটোৰ মূল পথসমূহ অংকন কৰিবলৈ দি তেওঁলোকৰ নিজৰ আৱাস, গাঁৱত থকা সামাজিক অনুষ্ঠান আৰু চৰকাৰী কাৰ্যালয় আদি যথাযথ স্থানত চিহ্নিত কৰিবলৈ নিৰ্দেশ দিয়া হয়। এইক্ষেত্ৰত পি আৰ এ সদস্যসকলে অংশগ্ৰহণকাৰী গাঁওবাসীক সহযোগ কৰে। শিবিৰটোত এই অনুশীলন প্ৰক্ৰিয়াত গাঁওবাসীয়ে নিজৰ নিজৰ আৱাসসমূহ চিহ্নিত কৰিবলৈ সক্ষম হয়।

**তালিকা ৩.৪—** গাঁওসমূহৰ তথ্য

| **সামাজিক তথ্য** | **গাঁৱৰ নাম** | **বৰঙাজুলি** |
|---|---|---|
| | মুঠ জনসংখ্যা | ৪৬৬০জন |
| | পুৰুষ | ২৪৭০জন |
| | মহিলা | ২১৯০গৰাকী |
| | মুঠ আৱাস | ৭৭০টা |
| | পকীঘৰৰ সংখ্যা | ৪৫০টা |
| | কেঁচা ঘৰৰ সংখ্যা | — |
| | আধা পকী ঘৰৰ সংখ্যা | ৩২০টা |
| | নদী | ১খন |
| | পি এইচ ই ডি | ২টা |
| | প্ৰেক্ষাগৃহ | নাই |
| | ৰাজহুৱা দমকল | — |
| | ৰাজহুৱা কুঁৱা | — |
| | খেল পথাৰ বনাম চৰণীয়া পথাৰ | ৪খন |
| | পুথিভঁৰাল | — |
| | ট্ৰেন্সফৰ্মাৰ | ৬টা |
| | মন্দিৰ | ১০টা |
| | চাৰ্চ | ১টা |

## বৰঙাজুলি ই ডি চিৰ সামাজিক মানচিত্ৰ



## সামাজিক মেপত পোৱা তথ্য

- সামাজিক মানচিত্ৰ প্ৰস্তুত কৰা সময়ত অংশগ্ৰহণকাৰীসকলে অঞ্চলটোৰ ৭৭০টা পৰিয়ালৰ আৱাস চিহ্নিত কৰে। ইয়াৰ ভিতৰত ৩২০টা আৱাস আধা পকী আৰু অৱশিষ্ট ৪৫০টা পকী ঘৰ হিচাপে চিহ্নিত হয়। এলেকাটোত দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ কোনো পৰিয়ালে ইন্দিৰা আৱাস যোজনাৰ অধীনত আৱাস লাভ কৰা নাই। ইয়াৰ পৰাই স্পষ্ট হয় যে গাঁওখনত বসবাস কৰা দুখীয়া পৰিয়ালৰ লোকসকলক ইন্দিৰা আৱাস যোজনাৰ আঁচনিয়ে সামৰি ল'ব পৰা নাই।
- আৱাসী পৰিয়ালৰ ব্যক্তিগত ঘৰসমূহৰ উপৰি গুৰুত্বপূৰ্ণ অনুষ্ঠান-প্ৰতিষ্ঠান, যেনে— নিম্ন প্ৰাথমিক বিদ্যালয়, মজলীয়া বিদ্যালয়, নামঘৰ, মন্দিৰ, নদী, বজাৰ আদি মানচিত্ৰত অন্তৰ্ভুক্ত কৰা হয়।
- গাঁওবাসীৰ বাবে খোৱাপানীৰ মুখ্য উৎস হৈছে ব্যক্তিগত কুঁৱা আৰু দমকল।
- এলেকাটোত শিক্ষা ব্যৱস্থাটো সন্তোষজনক নহয়। এলেকাটোত মজলীয়া আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় নাই।
- গাঁওখনৰ মুঠ জনসংখ্যাৰ ভিতৰত ১৫ শতাংশ সাধাৰণ শ্ৰেণীৰ, ৩৫.৩ শতাংশ অন্যান্য পিছপৰা শ্ৰেণীৰ, ৪৯.৩ শতাংশ অনুসূচিত জাতি শ্ৰেণীৰ আৰু অৱশিষ্ট ০.৫১ শতাংশ অনুসূচিত জনজাতি শ্ৰেণীৰ লোক।

**দেখা গৈছে যে—**

- গাঁওখনৰ সকলো আৱাসীয়ে ৰন্ধন প্ৰণালীৰ বাবে খৰি ব্যৱহাৰ কৰে যদিও কিছুমান আৱাসীৰ এল পি জি কানেকচন আছে। গাঁওবাসীয়ে দৈনন্দিন জীৱিকাৰ ক্ষেত্ৰত বনজ সম্পদৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল নহয়।
- সকলো গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান, যেনে— হাইস্কুল, আৰক্ষী থানা, বেংক আদি গাঁওখনৰ পৰা ১৪ কিলোমিটাৰ দূৰত্বত ডিমাকুছিত অৱস্থিত।
- ই ডি চি এলেকাটোৰ গাঁওবাসী পশু খাদ্যৰ বাবে কৃষি অৱশিষ্ট, ঘৰুৱা অৱশিষ্ট, ঘাঁহ আৰু সেউজীয়া খাদ্যৰ ওপৰত নিৰ্ভৰশীল।
- গাঁওসমূহত উৎপন্ন হোৱা শাক-পাচলি আৰু পশুধন আদিৰ ওচৰৰ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা নামি অহা বন্যপ্ৰাণীয়ে ক্ষতিসাধন কৰে। কিয়নো এলেকাটোত সামাজিক নিৰাপত্তাৰ বাবে কোনো বেৰ নিৰ্মাণ কৰা হোৱা নাই।
- গাঁওবাসীয়ে সাপ্তাহিক বজাৰ আদিৰ বাবে ১৪ কিলোমিটাৰ দূৰত অৱস্থিত ডিমাকুছিলৈ যাব লগা হয়।

## ৩.২ সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ

সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ বা আৱাসী লোকৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়টোৱে এলেকাটোৰ জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থাটোৰ পৰ্যালোচনা কৰাৰ লগতে চিহ্নিতও কৰিছে। সমীক্ষকসকলক এইক্ষেত্ৰত প্ৰকল্পৰ পৰা লাভান্বিত হ'ব পৰা ব্যৱস্থাৰে আৰ্থ-সামাজিক স্থিতিৰ ওপৰত সন্তুষ্টি প্ৰদান কৰাৰ লগতে স্থানীয় লোকসকলৰ এই সম্পৰ্কীয় ধাৰণা আৰু তেওঁলোকৰ স্থিতি প্ৰদানত সহায় কৰিছে।


তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ ওপৰত ভিত্তি কৰি সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ প্ৰক্ৰিয়া চলোৱা হয়।

(ক) ভূমিৰ স্বত্ব

(খ) বৃত্তি

বিশ্লেষণটোৰ পৰা দেখা গৈছে যে গাঁওখনৰ ৮.৪ শতাংশ লোকেই দুখীয়া শ্ৰেণীৰ আৰু প্ৰায় ৯১ শতাংশ লোক মধ্যম শ্ৰেণীৰ। কেৱল মাত্ৰ ০.৩৪ শতাংশ লোকহে ধনিক শ্ৰেণীৰ। দুখীয়া লোকসকলে দিন হাজিৰা, ক্ষুদ্ৰ ব্যৱসায় আৰু ক্ষুদ্ৰ চাহ খেতিয়ক হিচাপে জীৱন নিৰ্বাহ কৰে।

## ৩.১ সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ




## ৩.৩ ঘটনাপ্ৰবাহৰ পৰ্যালোচনা

এলেকাটোত বিগত সময়ছোৱাত ঘটি যোৱা গুৰুত্বপূৰ্ণ তথা ঐতিহাসিক ঘটনা সন্দৰ্ভত সমীক্ষকৰ দলে ঘটনাপ্ৰবাহৰ ওপৰত এক পৰ্যালোচনা চলায়। তেওঁলোকে গাঁৱৰ গাঁওবুঢ়া, বয়োজ্যেষ্ঠ নাগৰিক তথা ডেকাচামৰ সৈতে সংঘটিত ঘটনাসমূহৰ ওপৰত আলোচনা কৰে কেনেদৰে তেওঁলোকে সেই পৰিস্থিতিসমূহৰ সন্মুখীন হৈছিল তথা গাঁওখনৰ উন্নয়নত অগ্ৰসৰ হৈছিল ইত্যাদি সম্পৰ্কত। সেই আলোচনাৰ ভিত্তিত উল্লেখিত ঘটনাসমূহৰ তালিকা তলত দাঙি ধৰা হ'ল—

**তালিকা ৩.৩—** ঘটনাপ্ৰবাহৰ পৰ্যালোচনা

| বছৰ | ঘটনা | ধৰণ |
|---|---|---|
| ১৯৮৩ | অসম আন্দোলন | সামাজিক আন্দোলন |
| ১৯৯৭ | অ'ল ক্লীয়াৰ অপাৰেচন (ভাৰতীয় সেনাবাহিনী) | সফলতা |
| ২০০৭ | প্ৰথম স্নাতকোত্তৰ প্ৰাপ্ত | সফলতা |

## ৩.৪ বতৰভিত্তিক জীৱিকাৰ মানচিত্ৰ


স্থানীয় লোকসকলে প্ৰকৃতিক পৰিৱেশ আৰু বতৰৰ ভিত্তিত পৰম্পৰাগতভাৱে চলাই অহা জীৱিকা-জীৱন ধাৰণ ব্যৱস্থাটোৱে জনসমুদায়টোত চলি অহা পৰম্পৰা আৰু নিৰ্দিষ্ট সময়ৰ স্পৰ্শকাতৰ স্থিতিসমূহৰ ওপৰত তথ্য আহৰণৰ অন্যতম আহিলা। এই সন্দৰ্ভত চলোৱা আলোচনাত তথ্যৰ সত্যতা নিৰূপণৰ বাবে গাঁওবাসীৰ পৰম্পৰাগত কেলেণ্ডাৰ ব্যৱহাৰ কৰা হয়। এই কেলেণ্ডাৰসমূহ প্ৰস্তুত কৰোঁতে অগ্ৰাধিকাৰ ভিত্তিত শিল, বীজ আদিৰ ব্যৱহাৰেৰে মানচিত্ৰত চিহ্নিত কৰা হয়।

আনহাতে, বতৰৰ কাম-কাজ আদি বুজাবৰ বাবে সাধাৰণ ৰেখাচিত্ৰও প্ৰস্তুত কৰিব পৰা যায়। বছৰটোৰ প্ৰতিটো বতৰৰ সামগ্ৰিক কৰ্ম আঁচনি ইয়াত দেখুৱাব পৰা যায়। বতৰৰ বিভিন্ন স্থিতি, যেনে— বৰষুণ, শস্যৰ পৰিক্ৰমা, শ্ৰমিকৰ চাহিদা, মজুৰিপ্ৰাপ্ত শ্ৰমিকৰ অৱস্থিতি, প্ৰব্ৰজন, মানুহৰ ৰোগ, ব্যয়ৰ পৰিমাণ আদিৰ স্থিতিও ৰেখাচিত্ৰত দেখুৱাব পৰি। লগতে গুৰুত্বপূৰ্ণ সময়, যেনে— উৎসৱ-পাৰ্বণ আদিও ৰেখাংকনেৰে বুজাব পৰি।

বতৰভিত্তিক মানচিত্ৰই প্ৰকৃততে বিভিন্ন শস্যৰ খেতিৰ বিৱৰণ দাঙি ধৰে। আমি এইক্ষেত্ৰত ধানখেতি আৰু ইয়াৰ

বীজ সিঁচা, শস্য সামৰা আৰু শস্য চপোৱা আদি বিভিন্ন তথ্যক সামৰি লৈছোঁ। দেখা গৈছে যে গাঁওখনত মূল কৃষিভিত্তিক খেতিৰ ভিতৰত চাহ, তামোল, আদা, ফলমূল, শাক-পাচলি আদিৰ খেতিয়ে অন্যতম।

**তালিকা ৩.২**— বৰঙাজুলি ই ডি চিৰ বতৰভিত্তিক কৰ্মৰ মানচিত্ৰ




**তালিকা ৩.৪— বতৰভিত্তিক খেতি**


| শ্ৰেণী | ধৰণ | কৰ্মৰ সময় | | |
|---|---|---|---|---|
| | | **বীজ সিঁচা/ৰোপণ** | **শস্য চপোৱা** | **শস্য উঠোৱা** |
| কৃষি | চাহ | — | — | এপ্ৰিল-নৱেম্বৰ |
| | শাক-পাচলি | নৱেম্বৰ-ডিচেম্বৰ | ফেব্ৰুৱাৰী-মাৰ্চ | — |
| | তামোল | — | — | ফেব্ৰুৱাৰী-মে’ |
| অ-কৃষিকৰ্ম | দিন হাজিৰা | বছৰজোৰা | | |
| | পশুধন | | | |
| | হস্ততাঁত | | | |
| | ভাতাৰ মজদুৰী | | | |
| | মিস্ত্ৰী | | | |

**উৎস ঃ** পি আৰ এ অনুশীলন

## ৩.৫ ভেন চিত্ৰ



## ৩.৬ চপাটি চিত্র



Chapatti Diagram
MARKET
POLICE STATION
14 KM
FOREST BEAT OFFICE
0.5 KM
BORENGAJULI EDC
30 KM
RAILWAY STATION
48 KM
14 KM
DISTRICT HEAD QUARTER
BANK
Signatures:

## অনুসূচী-৫

## ই ডি চিৰ কাৰ্যবাহী সদস্যৰ তালিকা

| ক্রমিক নং | নাম | পদবী | পুৰুষ-মহিলা |
|---|---|---|---|
| ১ | শৰৎ শৰ্মা | সভাপতি | পুৰুষ |
| ২ | ৰাতুল নাৰ্জাৰী | সম্পাদক | পুৰুষ |
| ৩ | লক্ষীৰাম কলিতা | সদস্য | পুৰুষ |
| ৪ | হৰধন ৰাজবংশী | সদস্য | পুৰুষ |
| ৫ | কাৰ্তিক বিশ্বাস | সদস্য | পুৰুষ |
| ৬ | বাবুল পাইক | সদস্য | পুৰুষ |
| ৭ | মিনুৰাণী কবিৰাজ | সদস্য | মহিলা |
| ৮ | সীতা লামা | সদস্য | মহিলা |
| ৯ | মুনচাৰী বড়ো | সদস্য | মহিলা |

## বৰঙাজুলি ই ডি চিৰ পঞ্জীয়ন-পত্ৰ

# GOVT. OF ASSAM

सत्यमेव जयते

**BODOLAND TERRITORIAL COUNCIL**
**OFFICE OF THE FIELD DIRECTOR, MANAS TIGER PROJECT**
**Barpeta Road- 781315, Assam.**

**Registration No. MTP/EDC/21, dated *1st March' 2016***

*This is to certify that **"BARENGAJULI ECO-DEVELOPMENT COMMITTEE"** under Dhansiri Forest Division, Barnadi Wildlife Sanctuary, Undalguri is Registered with the Office of the Field Director, Manas Tiger Project, Barpeta Road, Assam on this day of 1st March' 2016 signed under my hand and seal.*

*The Registration needs renewal annually.*

Field Director, Manas Tiger Project, Barpeta Road, Assam

(H.K. Sharma, IFS)
Field Director, Manas Tiger Project
Barpeta Road, Assam.

Field Director, Manas Tiger Project
Barpeta Road, Assam

Place: Barpeta Road.

Date: 01.03.2016

# প্ৰশিক্ষণপ্ৰাপ্তৰ তালিকা

**Participants List of theBarengajuli EDC for the Skill Development Training on Weaving and Tailoring**

| Sl. No | Name of the Participants | Age | Sex |
|---|---|---|---|
| 1 | JuriDeka | 23 | F |
| 2 | Nita Devi | 20 | F |
| 3 | Bina Rani Kalita | 40 | F |
| 4 | BasantiChamuah | 40 | F |
| 5 | RenuParja | 22 | F |
| 6 | NamitaDeka | 28 | F |
| 7 | Sita Lama | 24 | F |
| 8 | Kunsang Lama | 18 | F |
| 9 | KarbiKowar | 27 | F |
| 10 | SangitaKowar | 22 | F |
| 11 | DhanishthaKalita | 21 | F |
| 12 | NamitaKalita | 24 | F |
| 13 | BabitaBaruah | 20 | F |
| 14 | Sonia Rabidas | 25 | F |
| 15 | Pinki Dev Nath | 24 | F |
| 16 | MalatiRajbangshi | 27 | F |
| 17 | AanuSutradhar | 25 | F |
| 18 | Sumani Dev Nath | 20 | F |
| 19 | Usha Das | 40 | F |
| 20 | SumiChaliha | 24 | F |
| 21 | Khukan Das | 25 | M |
| 22 | Niva Paik | 22 | F |
| 23 | Anima Kujur | 28 | F |
| 24 | Bhagyashree Devi | 25 | F |
| 25 | RatulSarma | 28 | M |
| 26 | MamoniKalita | 19 | F |
| 27 | SimaBoro | 18 | F |
| 28 | Babita Biswas | 22 | F |
| 29 | Bandana Sarkar | 19 | F |
| 30 | Kunti Das | 20 | F |

**Signature& Seal of the D. F. O**

15/05/2018

Divisional Forest Officer
Dhansiri Forest Division
Udalguri, BTC

**Signature &Seal of the President**

Ratul Sarma

President/Secretary
Borengajuli Eco- Dev. Committee
Borengajuli

## অনুসূচী-৬ (ৰেকৰ্ড-১)

তালিকা নং ১ ঃ ই ডি চিৰ প্ৰাথমিক তথ্য

| ই ডি চিৰ নাম | বৰঙাজুলি |
|---|---|
| প্ৰতিষ্ঠাৰ বছৰ | ২০১৬ |
| কাৰ্যবাহী কমিটীৰ সদস্য সংখ্যা | ৯ |
| সভাপতিৰ নাম | শৰৎ শৰ্মা |
| সম্পাদকৰ নাম | ৰাতুল নাৰ্জাৰী |
| ভি ডি এফত জমা ধন | ১০,০০০ |
| অংশগ্ৰহণ মাচুল প্ৰতি পৰিয়াল/ব্যক্তি | — |
| সামাজিক বেৰৰ ব্যৱহাৰ (আছে/নাই) | নাই |
| বিশেষ প্ৰাপ্তিৰ বাবে মন্তব্য | — |
| আৰ এফ অ'ৰ দ্বাৰা সফলতাৰ মাপ (%) | — |

তালিকা নং ২ ঃ প্ৰকল্প এলেকাত জনগাঁথনিৰ বিন্যাস

| গাঁৱৰ নাম | ঘৰৰ সংখ্যা | সাধাৰণ | | অ' বি চি | | এছ চি | | এছ টি | | লিংগৰ স্থিতি (প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে) | (গড়ে প্ৰতি পৰিয়ালত) |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা | | |
| **বৰঙাজুলি** | ৭৭০ | ৩৭০ | ৩২৮ | ৮৬৫ | ৭৬৭ | ১২২৪ | ১০৮৫ | ১১ | ১০ | ৮৮৭ | ৬ |
| **মুঠ** | ৭৭০ | ৩৭০ | ৩২৮ | ৮৬৫ | ৭৬৭ | ১২২৪ | ১০৮৫ | ১১ | ১০ | ৮৮৭ | ৬ |

**উৎস ঃ** ক্ষেত্ৰ এলেকাৰ সমীক্ষা প্ৰতিবেদন

## তালিকা- ৩ ঃ মাটিৰ স্বত্বাধীকাৰৰ ভিত্তিত কৃষকৰ শ্ৰেণী

তালিকা নং ৩ ঃ গাঁও ভিত্তিত মাটিৰ স্বত্বাধিকাৰৰ ওপৰত নিৰ্ভৰ কৰি কৃষকৰ শ্ৰেণীবদ্ধকৰণ

| গাঁৱৰ নাম | মাটিৰ স্বত্বাধীকাৰৰ ভিত্তিত কৃষকৰ শ্ৰেণীবদ্ধকৰণ | | | | |
|---|---|---|---|---|---|
| | ডাঙৰ খেতিয়ক > ১০ হেক্টৰ | ক্ষুদ্ৰ খেতিয়ক ২ৰ পৰা ১০ হেক্টৰ | মধ্যমীয়া সাধাৰণ খেতিয়ক (প্ৰতি পৰিয়াল) < ২ হেক্টৰ | ভূমিহাৰা | মুঠ |
| **বৰঙাজুলি** | ৩ | ৪১৮ | ২৮৪ | ৬৫ | ৭৭০ |
| **মুঠ** | ৩ | ৪১৮ | ২৮৪ | ৬৫ | ৭৭০ |

## তালিকা- ৪ ঃ পশুধনৰ সংখ্যা

তালিকা নং ৪ ঃ ই ডি চি এলেকাত পশুধনৰ সংখ্যা

| ক্ৰমিক নং | গাঁৱৰ নাম | গাঁও ভিত্তিত পশুধনৰ প্ৰকৃতি | | | | | |
|---|---|---|---|---|---|---|---|
| | | গাইগৰু | হাঁহ-কুকুৰা | ছাগলী | হাঁহ | গাহৰি | মুঠ |
| ১ | বৰঙাজুলি | ১৫০০ | ১০২২ | ৬০০ | ৮২২ | ১৭০ | ৪১১৪ |
| | মুঠ | ১৫০০ | ১০২২ | ৬০০ | ৮২২ | ১৭০ | |

## তালিকা- ৫ ঃ গাঁৱৰ আন্তঃগাঁথনি

**তালিকা নং ৫ ঃ গাঁৱৰ আন্তঃগাঁথনি**

| ক্ৰমিক নং | আন্তঃগাঁথনি | স্থান | গাঁৱৰ পৰা দূৰত্ব |
|---|---|---|---|
| ১ | বাছ আস্থান | গাঁৱৰ ভিতৰতে | ০ কিঃমিঃ |
| ২ | বিদ্যুৎ যোগান | গাঁৱৰ ভিতৰতে | ০ কিঃমিঃ |
| ৩ | গেছৰ যোগান | গাঁৱৰ বাহিৰত (ডিমাকুছি) | ১৪ কিঃমিঃ |
| ৪ | প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ | গাঁৱৰ ভিতৰতে (২নং বৰঙাজুলি) | ৪ কিঃমিঃ |
| ৫ | প্ৰাথমিক বিদ্যালয় | গাঁৱৰ ভিতৰত | ০ কিঃমিঃ |
| ৬ | মাধ্যমিক বিদ্যালয় | নালাপাৰা | ০ কিঃমিঃ |
| ৭ | ডাকঘৰ | গাঁৱৰ ভিতৰতে (২নং বৰঙাজুলি) | ৪ কিঃমিঃ |
| ৮ | হাইস্কুল | শুকলাই | ৫ কিঃমিঃ |
| ৯ | বেংক | ডিমাকুছি | ১৪ কিঃমিঃ |
| ১০ | অংগনৱাড়ী কেন্দ্ৰ | গাঁৱৰ ভিতৰতে | ০ কিঃমিঃ |
| ১১ | ৰে'ল ষ্টেচন | খৈৰাবাৰী/টংলা | ৩৯/৩০ কিঃমিঃ |
| ১২ | ফৰেষ্ট বীট অফিচ | নালাপাৰা | ০.৫ কিঃমিঃ |
| ১৩ | ৰে'ল ষ্টেচন | টংলা | ৩০ কিঃ মিঃ |
| ১৪ | কলেজ | ডিমাকুছি | ১৪ কিঃমিঃ |
| ১৫ | আৰক্ষী চকী | ডিমাকুছি | ১৪ কিঃমিঃ |
| ১৬ | সাপ্তাহিক বজাৰ | বাদলাপাৰা | ২ কিঃমিঃ |
| ১৭ | ভি চি ডি চি | ৰাজাগড় | ১ কিঃমিঃ |

## তালিকা- ৬ ঃ কৃষি শস্য

**তালিকা নং ৬ ঃ কৃষি শস্য**

| বিষয় | বৰষুণৰ দ্বাৰা উৎপাদিত | | জলসিঞ্চন | |
|---|---|---|---|---|
| | শস্যৰ নাম | মাটিকালি (হেক্টৰত) | শস্যৰ নাম | মাটিকালি (হেক্টৰত) |
| খাৰিফ | নাই | — | — | — |
| ৰবি | জলকীয়া, মূলা, আদা, আলু | ১০২ | — | — |
| অন্যান্য | চাহ | ৫১০ | — | — |
| | তামোল | ৮ | — | — |

## তালিকা- ৭ ঃ বৰঙাজুলি ই ডি চিৰ খেতি উৎপাদনৰ বিৰৰণ

তালিকা নং ৭ ঃ বৰঙাজুলি ই ডি চিৰ খেতি উৎপাদনৰ বিৰৰণ

| খাদ্যৰ ধৰণ | মুঠ উৎপাদন (আনুমানিক)/কুইন্টল | প্ৰতি ঘৰৰ উৎপাদন | মুঠ উৎপাদন (আনুমানিক)/কুইন্টল | শস্য পথাৰৰ আনুমানিক এলেকা (হেক্টৰ) |
|---|---|---|---|---|
| চাহ | ৭৬৫০০ | ৭৭০ | ১৫০ | ৫১০ |
| শাক-পাচলি | ১৫৩০ | ৭৭৪ | ১৫ | ১০২ |
| তামোল | ২১৬০ | ৬০০ | ২৭০ | ৮ |

## তালিকা- ৮ ঃ পশুধনৰ খাদ্য

তালিকা নং— ৮ ঃ ই ডি চিৰ অধীনত উপলব্ধ পশুখাদ্য

| খাদ্যৰ ধৰণ | ১ৰ পৰা ৩ মাহ | ৩ৰ পৰা ৬ মাহ | > ৬ মাহ |
|---|---|---|---|
| শস্যৰ অৱশিষ্ট | আছে | | |
| ঘাঁহ-বন | | | আছে |
| সেউজীয়া খাদ্য | | আছে | |
| বনাঞ্চলৰ ঘাঁহনি | আছে | | |

## তালিকা- ৯ ঃ গাঁৱৰ পৰা বজাৰৰ অৱস্থিতি

তালিকা নং ৯ ঃ গাঁৱৰ পৰা বজাৰৰ অৱস্থিতি/দূৰত্ব

| ক্ৰয় কৰাৰ বাবে | অৱস্থান | গাঁৱৰ পৰা দূৰত্ব (কিঃমিঃ) |
|---|---|---|
| ৰেচনৰ দোকান | নালাপাৰা | গাঁৱৰ ভিতৰতে |
| সাপ্তাহিক বজাৰ | বাদলাপাৰা | ২ কিঃমিঃ |
| প্ৰধান বজাৰ | ডিমাকুছি | ১৪ কিঃমিঃ |
| বন নিগমৰ বিক্ৰী কেন্দ্ৰ | — | — |
| টেণ্ডু পট্টা পি এইচ এ ডি | — | — |
| মাছ বজাৰ | ডিমাকুছি | ১৪ কিঃমিঃ |
| ঔধধি গছ সংগ্ৰহ কেন্দ্ৰ | — | — |
| বন নিগমৰ ঔধধি গছ সংগ্ৰহ কেন্দ্ৰ | — | — |

## তালিকা- ১০ ঃ জলসম্পদৰ সুবিধা

তালিকা নং— ১০ত গাঁওখনত উপলব্ধ জলসম্পদৰ সুবিধাৰ বিৱৰণ

| জলসম্পদ | সংখ্যা | পানীৰ উপলব্ধতা | ব্যৱহাৰ |
|---|---|---|---|
| নদী | ১ | বছৰজোৰা | পশুপালনৰ বাবে |
| দমকল | — | | |
| কুঁৱা | — | | |
| পুখুৰী | — | | |

## তালিকা- ১১ ঃ ইন্ধনৰ ব্যৱহাৰ

তালিকা নং— ১১ত বৰঙাজুলি ই ডি চি এলেকাত ব্যৱহৃত ইন্ধনৰ বিৱৰণ

| ইন্ধনৰ ধৰণ | নিৰ্ভৰশীল আৱাসৰ সংখ্যা | নিৰ্ভৰ হ'বলগীয়া মাহৰ সংখ্যা | সংগ্ৰহৰ উৎস (স্থানীয়ভাৱে, গাঁৱত, বনাঞ্চলত, অন্যান্য) | প্ৰধান/বিকল্প উৎস |
|---|---|---|---|---|
| খৰি | ৭৭০ | গোটেই বছৰ | ঘৰুৱা/বনাঞ্চল | প্ৰধান উৎস |
| কেৰাচিন ষ্টʼভ | ২৫০ | গোটেই বছৰ | খোলা বজাৰ | বিকল্প ব্যৱহাৰ |
| এল পি জি | ৪০০ | গোটেই বছৰ | এজেন্সী | বিকল্প ব্যৱহাৰ |
| বৈদ্যুতিক হিটাৰ | — | — | — | — |

## ৰেকৰ্ড-২

## জীৱিকাৰ সুযোগ পৰ্যালোচনা

## তালিকা- ১২ কৃষি আৰু উদ্যান শস্য

তালিকা নং— ১২ত কৃষি আৰু উদ্যান ক্ষেত্ৰৰ তথ্যৰ বিৱৰণ

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| ন্যুনতম উৎপাদন | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| গুদাম আৰু উৎপাদন | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| বেচা-কিনা | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |

# তালিকা- ১৩ পশুধন

তালিকা নং— ১৩ত পশুধন

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| চৰণীয়া পথাৰৰ অভাৱ | ◆ প্ৰযোজ্য নহয়। | — | — |
| পশু খাদ্যৰ উপলব্ধতা | ◆ দুৰ্বল বিত্তীয় অৱস্থাৰ বাবে বজাৰৰ পৰা পশু খাদ্য ক্ৰয় কৰাত অপাৰগ।<br>◆ সেউজীয়া খাদ্যও বছৰটোৰ বাবে উপলব্ধ নহয়। | ◆ পশুপালনৰ দ্বাৰা অধিক আয়ৰ সুবিধা।<br>◆ গাঁওবাসীয়ে সহজলভ্যভাৱে পশুখাদ্য লাভ কৰিলে বৈকল্পিক জীৱিকা হিচাপে ল'ব পাৰে। | |
| পশু চিকিৎসাৰ সুবিধা | ◆ কোনো পশু চিকিৎসা কেন্দ্ৰ নাই।<br>◆ পশুপালনৰ বাবে উপযুক্ত জ্ঞানৰ অভাৱ। | ◆ বেমাৰ নিয়ন্ত্ৰণ।<br>◆ গাইগৰু বা পশুধনৰ জীৱনকাল বৃদ্ধি।<br>◆ এনে ব্যৱস্থাই গাঁওবাসীৰ মাজত সজাগতা বৃদ্ধিৰ লগতে পশুপালনত উদগনি যোগাব। | |
| দুগ্ধ উৎপাদন আৰু ডায়েৰী উৎপাদক | ◆ দুগ্ধ উৎপাদনৰ বাবে পশুপালনৰ বৈজ্ঞানিক জ্ঞানৰ অভাৱ। | ◆ দুগ্ধ উৎপাদনৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ গ্ৰহণে দুগ্ধ উৎপাদনৰ দক্ষতা বৃদ্ধি কৰিব।<br>◆ দুগ্ধ উৎপাদন বৃদ্ধি কৰিবলৈ ওপৰঞ্চি 'মিল্ক বুষ্টাৰ, মিল্ক প্লাছ' আদিৰ দৰে দ্ৰব্যৰ ব্যৱহাৰ। | |
| গাখীৰৰ বজাৰ | ◆ গাখীৰৰ বাবে মুখ্য বজাৰৰ লগত কম সংযোগ<br>◆ গাখীৰৰ পৰা উৎপাদিত বিভিন্ন দ্ৰব্যৰ চাহিদাৰ বিষয়ে সম্যক জ্ঞান। | ◆ এই অঞ্চলত গাখীৰৰ বজাৰত প্ৰচুৰ চাহিদা দেখা যায়। | |

## তালিকা- ১৪ এন ডব্লিউ এফ পি

তালিকা নং— ১৪-ত এন ডব্লিউ এফ পি

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| সংগ্ৰহৰ পৰিমাণ কম | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| হ্ৰস্বম্যাদী সংগ্ৰহ | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| কম হাৰ | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| অতিৰিক্ত মূল্য সংযোজন | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |

## তালিকা- ১৫ বিশেষ দক্ষতা

তালিকা নং— ১৫ত হস্ততাঁতৰ বিশেষ দক্ষতাৰ বিৱৰণ

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| কেঁচা সামগ্ৰীৰ উপলব্ধতা | ◆ নিকটৱৰ্তী স্থানত কেঁচা সামগ্ৰীৰ অভাৱ।<br>◆ বজাৰৰ দূৰত্ব ৭ কিঃমিঃ সংগ্ৰহৰ অভাৱ। | ◆ কেঁচা সামগ্ৰী মজুতকৰণৰ বাবে উমৈহতীয়া স্থানৰ আৱশ্যকতা। | ◆ কেঁচা সামগ্ৰীৰ বাবে মজুতকৰণ বেংক স্থাপন। |
| উৎপাদিত সামগ্ৰীৰ গুণমান | ◆ উচ্চ মানবিশিষ্ট সামগ্ৰীৰ অভাৱ<br>◆ পৰম্পৰাগত কাৰ্যশৈলী যন্ত্ৰপাতিৰ ব্যৱহাৰ। | ◆ নতুন বজাৰ উদ্ভাৱন আৰু দখলৰ বাবে উচ্চ মানবিশিষ্ট সামগ্ৰীৰ বিকাশ। | ◆ আধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰৰ প্ৰশিক্ষণ।<br>◆ গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান কৰা। |
| বেচা-কিনাৰ সম্ভাৱনীয়তা | ◆ নিৰ্ধাৰিত মানৰ বজাৰৰ অভাৱ<br>◆ মূল্য নিৰ্ধাৰণৰ নীতিৰ অভাৱ<br>◆ প্ৰতিষ্ঠানগত ক্ৰেতাৰ সৈতে যোগাযোগৰ অভাৱ<br>◆ নতুন সামগ্ৰীৰ বিকাশৰ অভাৱ | ◆ নতুন উৎপাদিত সামগ্ৰীৰ বাবে বজাৰ উদ্ভাৱন। | ◆ প্ৰতিষ্ঠানগত ক্ৰেতাৰ সৈতে অধিক পৰিমাণৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰা। |
| ঋণৰ সুবিধা | ◆ বেংক অথবা ডাকঘৰৰ সৈতে যোগাযোগৰ অভাৱ।<br>◆ বেংক অথবা চৰকাৰী আঁচনি সন্দৰ্ভত জ্ঞানৰ অভাৱ। | ◆ চৰকাৰৰ দ্বাৰা বিত্তীয় সহযোগিতা।<br>◆ ঋণৰ বাবে সুবিধা প্ৰদান। | ◆ ক্ষুদ্ৰ বিনিয়োগ, সাময়িক ঋণ, কাৰ্য সম্পাদনৰ বাবে মূলধনৰ ব্যৱস্থা। |
| উৎপাদিত সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণ | ◆ নতুন সামগ্ৰীৰ বিকাশ অথবা সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণৰ অভাৱ।<br>◆ সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণৰ বাবে ধাৰণাৰ অভাৱ। | ◆ চাহিদাৰ ওপৰত ভিত্তি কৰি সামগ্ৰীৰ বিকাশ তথা আধুনিক বজাৰৰ আৱশ্যকতাৰ ভিত্তিত সামগ্ৰীৰ বিকাশ। | ◆ দক্ষতা বিকাশ আৰু নতুন সামগ্ৰীৰ বিকাশৰ বাবে প্ৰশিক্ষণ। |

# তালিকা- ১৬ ঋণৰ সুৱিধা

তালিকা নং— ১৬ত ঋণৰ সুবিধা

| সীমাবদ্ধতা | কাৰণ | সুযোগ |
|---|---|---|
| ঋণগ্ৰস্ততা | — | ◆ গাঁৱৰ সমীপৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |
| সুদৰ হাৰ | ◆ ব্যক্তিগত ঋণদাতাৰ দ্বাৰা অধিক হাৰত সুদ গ্ৰহণ। | ◆ ৰাজসাহায্যযুক্ত ঋণ ব্যৱস্থাপনা |
| ঋণৰ উপলব্ধতা | ◆ ক্ষতি স্বীকাৰৰ আশংকা<br>◆ তথ্য-পাতি সংগ্ৰহৰ বাবে জ্ঞানৰ অভাৱ। | ◆ উদগনিমূলক প্ৰতিষ্ঠানৰ উদ্যোগ |
| বন্ধকীৰ অসুবিধা | ◆ বন্ধকীৰ বাবে সা-সম্পত্তিৰ উপযুক্ত কাগজ-পাতিৰ অভাৱ। | ◆ গাঁও এলেকাত প্ৰয়োজনীয় কাগজ-পাতিৰ বাবে পৰ্যাপ্ত সজাগতা সৃষ্টি। |

Divisional Forest Officer
Dhansiri Forest Division
Udalguri, BTC